কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালৰ এটি বিৱৰণ দিয়া।

বিশ্বসিংহৰ মৃত্যুৰ পিছত সিংহাসনত বহা জেষ্ঠ পুত্ৰ নৰসিংহক সিংহাসনচ্যুত কৰি জেষ্ঠ পুত্ৰ মল্লদেৱে নৰনাৰায়ণ নাম লৈ 1540 খৃঃত কোচ ৰাজ্যৰ সিংহাসন আৰোহণ কৰে। ভায়েক শুক্লধ্বজক সেনাপতি পাতে আৰু চিলনীৰ দৰে জাপি শত্ৰুৰ ওপৰত জাপিয়াই পৰিব পাৰিছিল বাবে তেওঁ চিলাৰায় নামেৰে প্ৰসিদ্ধ আছিল।

<u>আহোমৰ লগত সংঘৰ্ষ:</u> নৰনাৰায়ণৰ ৰাজত্বৰ সময়ত আহোম ৰজা আছিল চুক্লেনমুং। 1543 খৃঃত আহোম ৰজাই কোচ সৈন্যক আক্ৰমণ কৰাত সমধাৰাৰ পাৰে দুয়োপক্ষৰ মাজত বিবাদ আৰম্ভ হয় আৰু এই যুদ্ধত আহোমৰ পৰাজয় হয়। কিন্তু পিছত কৰি আহোমৰ হাতত কোচৰ পৰাজয় হোৱা নৰনাৰায়ণে চিলাৰায়ৰ অধীনত এদল সৈন্য আহোমৰ বিৰুদ্ধে পঠিয়ায়। কোচ সৈন্যই কলিয়াবৰ, শলা আৰু দিখৌ নদীৰ পাৰৰ যুদ্ধত আহোমক বাৰে বাৰে পৰাস্ত কৰে। কিন্তু দিহিং নদীৰ পাৰত হোৱা যুদ্ধত পৰাস্ত হৈ কোচ সৈন্য উভতি যায়।

ইয়াৰ পিছত আহোমৰ লগত সন্ধিৰ প্ৰস্তাৱৰ নিমিত্তে নৰনাৰায়ণে 1555 চনত চুখাম্ফাক ৰাজী পঠিয়াই ব্যৰ্থ হয়। ফলত নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণৰ পৰিকল্পনা কৰে আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হাবুৰ্ভোকে ভায়েক গোঁহাই কমলৰ দ্বাৰাই এটি পথ নিৰ্মাণ কৰায়। পথ নিৰ্মাণ সম্পূৰ্ণ হোৱাত চিলাৰায়ে 60 হাজাৰ সৈন্যৰ এটি বিশাল বাহিনী লৈ আহোম ৰাজ্য আক্ৰমণ কৰে। আহোম ৰজা ভয়তে

Scanned with CamScanner

সলাই মোৰাত চিলাৰায়ে" ৰাজধানী গড়গাওঁ অধিকাৰ কৰে। তিনিমাহ পিছত আহোম ৰজাই বাধ্য হৈ কোচৰ লগত সন্ধি কৰে আৰু কোচৰ কৰতলীয়া হবলৈ বাধ্য হয়। তাৰোপৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ সমস্ত অঞ্চল কোচ ৰজাক এৰি দিব-লগীয়া হয়।

**কছাৰী, জয়ন্তীয়া, ত্ৰিপুৰা ৰাজ্য জয়:** আহোম ৰাজ্য আক্ৰমণ সমাপ্ত কৰি এইবাৰ চিলাৰায়ে কছাৰী ৰাজ্য আক্ৰমণ কৰি কছাৰী ৰজাক কোচৰ তলতীয়া কৰে। তাৰপিছত মণিপুৰৰ ৰজাই বিনাযুদ্ধে নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰে। এইবাৰ চিলাৰায়ে জয়ন্তীয়া আৰু ত্ৰিপুৰা ৰাজ্য আক্ৰমণ কৰি দুয়োৰাজ্যৰ ৰজাক হত্যা কৰে আৰু দুয়োখন ৰাজ্যক কোচৰাজ্যৰ কৰতলীয়া কৰে। লগতে খৈৰাম আৰু ডিমৰীয়া ৰাজ্যৰ ৰজায়ো নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰে।

**গৌড় ৰাজ্য আক্ৰমণ:** চিলাৰায়ে 1562 চনত গৌড় ৰাজ্য আক্ৰমণ কৰে যদিও গৌড়ৰ নবাব চুলেমান কৰৰাণিৰ সেনাপতি কালাপাহাৰৰ হাতত বন্দী হয়। ফলত কালাপাহাৰে সমগ্ৰ কোচ ৰাজ্যত আক্ৰমণ চলায় আৰু কামাখ্যা, হাজো আদি কৰি সকলোবোৰ হিন্দু দেৱালয় ধ্বংস কৰে। চিলাৰায়ৰ অনুপস্থিতিত মহাৰাজ নৰনাৰায়ণে আহোমৰ লগত সম্ভাব স্থাপন কৰে। এনে সময়ত উত্তৰভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হয়। বঙ্গৰ নবাব চুলেমান কৰৰাণিৰ মৃত্যুৰ পিছত পুতেক দাউদ বঙ্গৰ নবাব হয় আৰু তেওঁ মোগলৰ অধীনতা অস্বীকাৰ কৰাত মোগল সম্ৰাট আকবৰে দাউদৰ বিৰুদ্ধে যুদ্ধ

Scanned with CamScanner

ঘোষণা কৰে। ইতিমধ্যে চিলাৰায়েও মুক্তি লাভ কৰাত মহাৰাজ নৰনাৰায়ণেও ভাতৃসহ শত্ৰুৰ হাতত হেৰুৱা অধিকাৰৰ প্ৰতিশোধ লোৱাৰ সংকল্প গ্ৰহণ কৰে। তেওঁ চিলাৰায়ৰ নেতৃত্বত সৈন্য পঠিয়াই গৌড় ৰাজ্য আক্ৰমণত আকবৰক সহায় কৰে। দুৰ্ভাগ্যক্ৰমে যুঁজিয়া অভিযানত চিলাৰায় গোহাঁই ভাতৃৰ সৈন্যই ৰণভংগ দিয়ে আৰু যুদ্ধক্ষেত্ৰত ভাতৃৰ মৃত্যু হয়। নৰনাৰায়ণে আকবৰক কাতৰভাৱে মূল্যবান উপহাৰ পঠিয়াই মোগল-কোচ সম্পৰ্ক অধিক ঘনিষ্ঠ কৰে।

<u>গঠনমূলক কাৰ্যাবলী:</u> মহাৰাজ নৰনাৰায়ণ এজন বৰ মস্ত প্ৰভাৱৰ লোক আছিল। তেওঁ বৰ ধাৰ্মিক আছিল আৰু তেওঁৰেই পৃষ্ঠপোষকতাত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ভাগৱতী বৈষ্ণৱ ধৰ্ম অসমৰ চুকে কোণে প্ৰচাৰ কৰিছিল। কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা দেৱালয়সমূহ নৰনাৰায়ণে পুনৰ নিৰ্মাণ কৰাই দিছিল। নৰনাৰায়ণ নিজে এজন বিদ্বান লোক আছিল আৰু পণ্ডিত-সাহিত্যিক সকলে তেওঁৰ পৰা যথেষ্ট সন্মান লাভ কৰিছিল। যাৰফলত তেওঁৰ পৃষ্ঠপোষকতাত ভালেসংখ্যক অমূল্য গ্ৰন্থ সংস্কৃত আৰু অসমীয়া ভাষাত ৰচিত হৈছিল। তেওঁৰ দিনত কোচবিহাৰ অসমীয়া ভাষা আৰু সাংস্কৃতিক প্ৰাণকেন্দ্ৰস্বৰূপ হৈ পৰিছিল।